DAILY ASSAM

# ১৭। কাৰক আৰু বিভক্তি নিৰ্ণয়

১৭ ঃ ১ ক্ৰিয়াৰ লগত যাৰ অন্বয় বা সম্বন্ধ আছে তাক কাৰক বোলে। অসমীয়াত ছবিধ কাৰক আছে। যথা– (১) কৰ্তা (Nominative), (২) কৰ্ম (Accusative), (৩) কৰণ (Instrumental), (৪) সম্প্ৰদান (Dative), (৫) অপাদান (Ablative), (৬) অধিকৰণ (Locative)।

ইয়াৰ বাহিৰেও আন আন পদৰ লগত অন্বয় বা সম্বন্ধ থকা সম্বন্ধ-পদ (Genetive) আছে। ইয়াক কাৰক কোৱা নহয়, কিয়নো ইয়াৰ ক্ৰিয়াৰ লগত কোনো সম্বন্ধ বা অন্বয় নাই। এই সম্বন্ধ পদত ৬ষ্ঠী বিভক্তি হয়। সম্বোধন কৰি মাতিলে অসমীয়াত প্ৰথমা বিভক্তিকেই ব্যৱহাৰ কৰা হয়।

১৭ ঃ ২ মনৰ ভাব প্ৰকাশক বাক্য ব্যৱহাৰ কৰোঁতে সেই বাক্যৰ ক্ৰিয়া বা শব্দৰ পাৰস্পৰিক সংগতি বা সম্বন্ধ ৰাখি প্ৰাতিপদিকৰ পিছত বচন আৰু কাৰক বুজোৱা যিবোৰ চিন (বৰ্ণ বা বৰ্ণ সমষ্টি) যোগ কৰা হয়, তাকেই শব্দ-বিভক্তি কোৱা হয়। ছয় বিধ কাৰক আৰু সম্বন্ধ পদত মুঠ সাত বিধ শব্দ বিভক্তি ব্যৱহাৰ হয়। যথা, ১মা, ২য়া, ৩য়া, ৪ৰ্থী, ৫মী, ৬ষ্ঠী আৰু ৭মী বিভক্তি।

১৭ ঃ ৩ শব্দ বিভক্তি আকৌ দুবিধ– (ক) বাক্যৰ অৰ্থানুযায়ী ক্ৰিয়াৰ লগত অন্বয় ৰাখিবলৈ বিভিন্ন পদত যোগ হৈ কাৰক সৃষ্টি কৰা কাৰক-বিভক্তি আৰু (খ) কিছুমান বিশেষ অব্যয়ৰ যোগত নিৰ্দিষ্ট বিভক্তি যোগ হোৱা উপপদ বিভক্তি। 'প্ৰতি' অব্যয় শব্দৰ যোগত অসমীয়াত ষষ্ঠী বিভক্তি যুক্ত হয়। যথা– ৰামৰ প্ৰতি। এই বাক্যত 'প্ৰতি' অব্যয় শব্দৰ প্ৰভাৱত ষষ্ঠী বিভক্তি হৈছে, গতিকে ই উপপদ বিভক্তি। কিন্তু ৰামৰ কামটো কৰা হ'ল। ইয়াত 'ৰামৰ' শব্দটোত ষষ্ঠী বিভক্তি আছে, কৰ্ম বাচ্যৰ বাক্যত কৰ্তা কাৰকত ষষ্ঠী বিভক্তি হৈছে। গতিকে ই কাৰক-বিভক্তি।

## কৰ্তা কাৰক (Nominative Case)

১৭ ঃ ৪ (ক) যি স্বতন্ত্ৰ অৰ্থাৎ প্ৰধানভাৱে কোনো কাম কৰে সেয়ে কৰ্তা। ক্ৰিয়া সম্পাদনত ক্ৰিয়াৰ লগত কৰ্তাৰ প্ৰধান সম্বন্ধ। কৰ্তৃবাচ্যৰ বাক্যত কৰ্তাত প্ৰথমা বিভক্তিৰ প্ৰয়োগ হয়। যথা– সি যায়। ইয়াত যোৱা ক্ৰিয়া 'সি' সম্পাদন কৰিছে বাবে 'সি' কৰ্তা।

(খ) কিছুমান অকৰ্মক ক্ৰিয়াৰ কৰ্তাত 'এ' বিভক্তি যোগ নহয়। যথা– ৰাম আহিল। মণি গ'ল। গছ পৰিল। টেবুল আছে। ইত্যাদি।

কিন্তু হাঁহ্, কান্দ্, নাচ, কাহ্, হাঁচ্, ওমল্ আদি অকৰ্মক ধাতুৰ কৰ্তাত ১মা 'এ' বিভক্তি যোগ হয়। যথা–

আহমদে হাঁহে, কান্দে, নাচে, কাহে, হাঁচে, শোৱে (শুৱে)। ৰংপিয়ে ওমলে, মধুৱে নাচে। ইত্যাদি।

(গ) পাঁচনী ক্ৰিয়াৰ কৰ্তাতো ১মা বিভক্তি হয়। যথা,

মই তাক নচুৱালোঁ। সিহঁতে আমবোৰ পৰালে। ইত্যাদি

**১৭ : ৫** কৰ্ম বাচ্যৰ বাক্যত কৰ্মৰ লগত ক্ৰিয়াৰ ঘনিষ্ঠ সম্বন্ধ। কৰ্ম অনুযায়ী ক্ৰিয়া সম্পাদন হয় বাবে কৰ্মত ১মা বিভক্তি হয়। কৰ্তাত ৩য়া বা ষষ্ঠী বিভক্তি হয়। যথা,

(১) তেওঁৰ ব্যাকৰণ লিখা হ'ল। নাইবা (২) তেওঁৰদ্বাৰা ব্যাকৰণ লিখা হ'ল। উভয় বাক্যত 'ব্যাকৰণ' কৰ্ম যদিও হ'ল ক্ৰিয়াৰ কৰ্তাৰূপে প্ৰয়োগ হৈছে। প্ৰকৃত কৰ্তা 'তেওঁ' (যিহেতু 'তেওঁ' ব্যাকৰণ লিখিলে' প্ৰকৃত কৰ্তৃ বাচ্যৰ বাক্য) উক্ত কৰ্ম বাচ্যৰ প্ৰথম বাক্যত কৰ্তাত ষষ্ঠী বিভক্তি আৰু দ্বিতীয় বাক্যত তৃতীয়া বিভক্তি প্ৰয়োগ হৈছে।

**১৭ : ৬** কেতিয়াবা কৰ্ম বাচ্যৰ বাক্যত কৰ্তাত তৃতীয় বা ষষ্ঠী বিভক্তিৰ ঠাইত সপ্তমী বিভক্তিহে যোগ হয়। যথা:—

বানপানীয়ে গাঁওখন ডুবালে। (কৰ্তৃ বাচ্য)।

বানপানীত গাঁওখন ডুব গ'ল (কৰ্ম বাচ্য)

তেনেকৈ, জুয়ে ঘৰটো পুৰিলে। (কৰ্তৃ বাচ্য)

জুইত ঘৰটো পোৰা গ'ল। (কৰ্ম বাচ্য)

পুলিচে চোৰটো ধৰিলে। (কৰ্তৃ বাচ্য)

পুলিচৰ হাতত চোৰটো ধৰা পৰিল (কৰ্ম বাচ্য)।

**১৭ : ৭** ভাব বাচ্যৰ বাক্যত কৰ্তাত ষষ্ঠী বিভক্তি ব্যৱহাৰ হয়। যথা,

মোৰ শোৱা হ'ল। (ভাব বাচ্য)— মই শুলোঁ। (কৰ্তৃ)

তাৰ খেলা হ'ব। (ভাব বাচ্য)— যি খেলিব। (কৰ্তৃ)

**১৭ : ৮ (ক)** আ প্ৰত্যয় যোগত্ৰ ধাতু কৃদন্ত বিশেষণ হ'লে সংজ্ঞা শব্দটোৰ কৰণ-কৰ্তাৰ (Instrumental Nominative) বিভক্তি চিন বহে। দেখাত প্ৰথমা বিভক্তি হ'লেও মূলত কৰণ কাৰকৰ তৃতীয়া বিভক্তিহে। যথা—

বাঘে খোৱা। ইয়াত খা √ ধাতুত আ প্ৰত্যয় যোগ হৈ 'খোৱা' কৃদন্ত ক্ৰিয়া বিশেষণ হৈছে। ইয়াৰ কৰ্তাত প্ৰকৃততে কৰণৰ এন >এ যোগ হৈছে, কিন্তু অসমীয়াত প্ৰথমা বিভক্তি জ্ঞান কৰা হয়। হাতে কৰা কাম, মনে সজা, মানুহে পতা, ঈশ্বৰে দিয়া, হাতে লিখা। ইত্যাদি।

(খ) ক্ত প্ৰত্যয়ান্ত কৃদন্তৰ যোগত কৰ্তাত ষষ্ঠী বিভক্তি হয়। যথা,

এই কথা তাৰ অজ্ঞাত (এই কথা সি নাজানে)। তাৰ পঠিত প্ৰবন্ধ (সি পাঠ কৰা প্ৰবন্ধ)। মহাত্মা সকলোৰে পূজিত।

(গ) তব্য, অনীয়, য প্ৰত্যয়যুক্ত কৃদন্ত থাকিলে কৰ্তাত ষষ্ঠী বিভক্তি হয়। যথা,

আমাৰ কৰ্তব্য (আমি কৰা উচিত), শিক্ষক ছাত্ৰৰ পূজনীয় (ছাত্ৰই শিক্ষকক পূজা কৰা উচিত), পিতা সন্তানৰ পূজ্য (সন্তানে পিতৃক পূজা কৰা উচিত)। ইত্যাদি।

(ঘ) এটি সাধ্যা বা সমাপিকা ক্ৰিয়াৰ কাল নিৰূপক হিচাপে নাইবা কোনো নামশব্দৰ বিশেষণ হিচাপে কোনো কৃদন্ত শব্দ ব্যৱহাৰ হয়, সেই কৃদন্তৰ আগত থকা

১মা বিভক্তিযুক্ত কৰ্তাটোক কেৱলীয়া কৰ্তা বা ক্ৰিয়াহীন কৰ্তা কোৱা হয়। তেনে সমাপিকা ক্ৰিয়া নথকা ক্ৰিয়াহীন কৰ্তাত প্ৰথমা বিভক্তিয়েই ব্যৱহাৰ হয়। যথা—

মই গান গাই থাকোঁতে অঞ্জলি আহিল।

এই বাক্যত 'আহিল' সমাপিকা ক্ৰিয়াৰ কৰ্তা অঞ্জলি। 'আহিল' ক্ৰিয়াৰ কালখিনি নিৰূপণ কৰা হৈছে। যেতিয়া গান গাই 'আছোঁ' সেই সময়ত। থাক্ ধাতুত ওঁতে কৃৎ প্ৰত্যয় যোগ হৈ কৃদন্ত নামশব্দ হৈছে। গতিকে গান গাই থকা কাৰ্য কৰোঁতে 'মই' কৰ্তাৰ কোনো সমাপিকা ক্ৰিয়া নাই। সেইবাবে 'মই' কেৱলীয়া বা ক্ৰিয়াহীন কৰ্তা, প্ৰথমা বিভক্তি বা কৰ্তা কাৰকত ৰূপ হৈছে তেনেকৈ,

সূৰ্য অস্ত গ'লত আমি ফুৰিবলৈ গ'লোঁ।
বীণাহঁত ঘৰলৈ আহিলে আমি চিনেমা চাবলৈ চাম।
নলিনীয়ে খালেহে আমি যাব পাৰোঁ।
তুমি বা মই ঘৰলৈ আহিলে সকলো ঠিকঠাক হৈ যাব।
মই লিখা চিঠি সিহঁতে পাইছে।
সিহঁতে কোৱা কথাৰ কোনো মূল্য নাই।

১৭ ঃ ৯ পাঁচনী ক্ৰিয়াৰ কৰ্তাক পাঁচনী কৰ্তা আৰু যাক পাঁচি কাৰ্য কৰা হয় তাক প্ৰযোজ্য কৰ্তা কোৱা হয়। কাৰণ অপাঁচনী অৱস্থাত সেয়েই কৰ্তা আছিল। তেনে প্ৰযোজ্য কৰ্তাত কৰ্ম কাৰকৰ ২য়া বিভক্তি যোগ হয়। যথা—

ৰূপজ্যোতিয়ে আম খালে। (সাধাৰণ বাক্য)
কিন্তু (মাকে বা আনে) ৰূপজ্যোতিক আম খুৱালে।
ল'ৰাই পঢ়িলে।
কিন্তু শিক্ষকে বা পিতাকে ল'ৰাক পঢ়ুৱালে।

আকৌ কেতিয়াবা তেনে প্ৰযোজ্য কৰ্তাত কৰণ কাৰকৰ তৃতীয় বিভক্তি যোগ হয়। যথা—

অঞ্জলিয়ে ভাত ৰান্ধে।
(মাকে) অঞ্জলিৰ হতুৱাই ভাত ৰন্ধায়।
সি চিঠিখন লিখিছে।
(মাকে) তাৰ হতুৱাই চিঠিখন লিখাইছে।

## কৰ্ম কাৰক

১৭ ঃ ১০ যাৰ ওপৰত ক্ৰিয়া হয় বা ক্ৰিয়াৰ যি ব্যাপ্য বা ইঙ্গিত তাকেই কৰ্ম কোৱা হয়। অৰ্থাৎ কৰ্তাই যাৰ ওপৰত ক্ৰিয়া কৰি সম্পূৰ্ণতা লাভ কৰে সেয়েই কৰ্ম। কৰ্ম কাৰকত দ্বিতীয়া বিভক্তি ব্যৱহাৰ হয়।

হৰিয়ে অঞ্জলিক ভাল পায়।

ইয়াত 'হৰিয়ে' কৰ্তা কাৰক। কৰ্তা হৰিয়ে ভাল পোৱা কাম কাৰ ওপৰত কৰিছে বুলি প্ৰশ্ন কৰিলে (কাক ভাল পায়?) 'অঞ্জলিক' কথাষাৰ ওলাই পৰিব। গতিকে

'অঞ্জলি'ৰ ওপৰত ভাল পোৱা ক্ৰিয়া ব্যাপ্ত হৈছে বা 'অঞ্জলিক' ক্ৰিয়া 'ভাল পায়'ৰ ইঙ্গিত। গতিকে 'অঞ্জলিক' ২য়া বিভক্তিৰ চিন 'ক' যোগ হৈছে।

ভণ্টিয়ে কিতাপ পঢ়িছে।

ইয়াত ভণ্টিয়ে 'পঢ়িছে' কাৰ্য কিতাপৰ ওপৰত কৰিছে, গতিকে 'কিতাপ' পঢ়া কাযৰ ইঙ্গিত হোৱা বাবে কৰ্ম কাৰক। ইয়াত দ্বিতীয়া বিভক্তিৰ চিন লোপ পাইছে।

**১৭ : ১১** কিছুমান ক্ৰিয়াৰ দুটা কৰ্ম থাকে। সেই ক্ৰিয়াবোৰক দ্বিকৰ্মক ক্ৰিয়া কোৱা হয়। অপ্ৰাণীবাচক কৰ্মটো ক্ৰিয়াটোৰ প্ৰধান বাবে মুখ্য প্ৰাণীবাচক কৰ্মটোক গৌণ কৰ্ম কোৱা হয়। অপ্ৰাণীবাচক অৰ্থাৎ মুখ্য কৰ্মত বিভক্তি লোপ পায়। যথা-

সি মোক কিতাপখন দিলে।

ইয়াত 'দিলে' ক্ৰিয়াৰ কৰ্ম 'মোক' আৰু 'কিতাপখন'। 'মোক প্ৰাণীবাচক বাবে গৌণ কৰ্ম, কৰ্ম আৰু কাৰকৰ ২য়া বিভক্তি যোগ হৈছে। 'কিতাপখন' অপ্ৰাণীবাচক বাবে মুখ্য কৰ্ম, ২য়া বিভক্তি লোপ পাইছে।

**১৭ : ১২** অকৰ্মক ক্ৰিয়া কিছুমানৰ কেতিয়াবা সমগোত্ৰীয় সৃষ্টি কৰা হয়। সেইবোৰ ধাতুটোৰ অৰ্থৰ সমজাতীয় কাৰণে অকৰ্মক ক্ৰিয়াটোৰ সগোত্ৰ কৰ্ম (Cognate Object) বোলে। ইয়াৰ ব্যৱহাৰত ক্ৰিয়াটোৰ কাৰ্যৰ গভীৰতা প্ৰকাশ পায়। ইয়াত কৰ্ম কাৰকৰ ২য়া বিভক্তি লোপ পায়।

ফেদেলী বায়ে বিকট হাঁহি হাঁহিলে।

ৰেণুজনীয়ে ভাল গীত গালে।

আঘোণাই তাক ভাল মাৰ মাৰিলে।

ওপৰত উল্লেখ কৰা 'হাঁহি', 'গীত', 'মাৰ' যথাক্ৰমে একে অৰ্থৰ 'হাঁহিলে', 'গালে', 'মাৰিলে' ক্ৰিয়াৰ কৰ্ম। ইহঁতে ক্ৰিয়াটোৰ অৰ্থৰ গভীৰতা বুজাইছে মাথোন। গতিকে হাঁহি, গীত, মাৰ সগোত্ৰ কৰ্ম। তেনেকৈ, নাচ—নাচে, ভৰণি— ভৰে। ইত্যাদি।

**১৭ : ১৩** অসমাপিকা ক্ৰিয়াৰ কৰ্ম থাকিব পাৰে ; সেই কৰ্মটো ২য়া বিভক্তি হয়। অপ্ৰাণীবাচক কৰ্ম হ'লে দ্বিতীয়া বিভক্তি লোপ পায়। যথা—

সি ভাত খাই স্কুললৈ গ'ল।

ইয়াত ভাত 'খাই' অসমাপিকা ক্ৰিয়াৰ 'ভাত' কৰ্ম, অপ্ৰাণীবাচক কৰ্ম বাবে ২য়া বিভক্তি লোপ পাইছে।

**১৭ : ১৪** পঢ়্, খা আদি কিছুমান ধাতুৰ পাঁচনী কৰোঁতে পাঁচনী ক্ৰিয়াৰ কৰ্তাটো পাঁচনীত কৰ্মকাৰক হয়। ২য়া বিভক্তি যোগ হয়। যথা—

নলিনীয়ে কল খালে। (অপাঁচনী সাধাৰণ বাক্য)

কিন্তু (মাকে, বা পিতাকে) নলিনীক কল খুৱালে। (পাঁচনী) দীপুৱে পঢ়িছে। (অপাঁচনী বাক্য)

শিক্ষকে) দীপুক পঢ়ুৱাইছে। (পাঁচনী)

**১৭ : ১৫** কৰ্ম বাচ্যৰ বাক্যত কৰ্তৃ বাচ্যৰ কৰ্ম পদে কৰ্তাৰ দৰে প্ৰথমা বিভক্তি গ্ৰহণ কৰে। যথা—

ৰামে ভাত খালে। (কর্তৃ বাচ্য)

ৰামৰদ্বাৰা ভাত খোৱা হ'ল। (কর্ম বাচ্য)

১৭ : ১৬ কিছুমান কৃদন্ত পদৰ কর্মত ষষ্ঠী বিভক্তি হয়। যথা, মঙহৰ ভোজন, মন্ত্ৰীৰ দৰ্শন, দেৱতাৰ পূজা। ইত্যাদি।

## কৰণ কাৰক

১৭ : ১৭ কর্তাই যাৰদ্বাৰা ক্রিয়া সম্পাদন কৰে অর্থাৎ ক্রিয়া সম্পাদনত কর্তাক প্ৰধানকৈ যিয়ে সহায় কৰে তাকেই কৰণ কাৰক বোলে। যথা,

অসীমে কটাৰীৰে কাঠ কাটিছে।

ইয়াত কাঠ কাটিছে ক্রিয়াটো 'অসীমে' কর্তাই কটাৰীৰ সহায়ত কৰিছে গতিকে 'কটাৰীৰে' কৰণ কাৰক।

১৭ : ১৮ কৰণ কাৰকত তৃতীয়া বিভক্তি হয়। ওপৰৰ বাক্যত কটাৰীৰে শব্দটো কৰণ কাৰকৰ পদ হোৱাত তৃতীয়া বিভক্তি যোগ হৈছে। তেনেকৈ, হাতেৰে মাৰিলোঁ। নাৱেৰে গৈছে। সোণেৰে গঢ়িছে। ইত্যাদি।

## সম্প্ৰদান কাৰক

১৭ : ১৯ যাৰ উদ্দেশ্যে নিজ স্বত্ব ত্যাগ কৰি কিবা এটা বস্তু দান কৰি দিয়া বুজায়, তাকেই সম্প্ৰদান কাৰক কোৱা হয়। যথা,

১। গোবিন্দলৈ শৰাই এখন দিবা।

২। গোপাললৈ ভোগ আগবঢ়াইছে।

৩। তোমাৰ গুৰুলৈ দক্ষিণা দিয়া হ'লনে?

প্ৰথম বাক্যত পুণ্যাৰ্থে শৰাই দান কৰিব 'গোবিন্দলৈ' কাৰণে 'গোবিন্দলৈ' সম্প্ৰদান কাৰক। তেনেকৈ দ্বিতীয় বাক্যত 'গোপাললৈ' আৰু তৃতীয় বাক্যত 'গুৰুলৈ' সম্প্ৰদান কাৰক।

১৭ : ২০ সম্প্ৰদান কাৰকত চতুৰ্থী বিভক্তি যোগ হয়। ওপৰৰ বাক্যকেইটিত 'গোবিন্দলৈ' আৰু 'গুৰুলৈ' পদকেইটিত চতুৰ্থী বিভক্তি যোগ হৈছে। কিন্তু কেতিয়াবা দ্বিতীয়া বিভক্তি যোগ হয়। যথা–

১। গুৰুক দক্ষিণা দিলোঁ।

২। মগনীয়াক ভিক্ষা দিলে।

ইয়াত গুৰুক আৰু মগনীয়াক সম্প্ৰদান কাৰক, কাৰণ পুণ্যাৰ্থে দক্ষিণা আৰু ভিক্ষা দান কৰিছে। উভয়তে দ্বিতীয়া বিভক্তি যোগ হৈছে।

১৭ : ২১ কিন্তু সম্পূর্ণ স্বত্ব পৰিত্যাগ কৰি দান কৰা নুবুজালে কৰ্ম কাৰকহে হ'ব। যথা,

ধোবাক কাপোৰ দিছোঁ।

এই বাক্যত 'ধোবাক' কৰ্ম কাৰকহে। কাৰণ ধোবাৰপৰা কাপোৰ পুনৰ ঘূৰাই লোৱা হয়। প্ৰকৃত দান নাই হোৱা বাবেই সম্প্ৰদান কাৰক হোৱা নাই।

১৭ ঃ ২২ সংস্কৃত ভাষাত ৰুচি, তৃপ্তি, স্পৃহা, ক্ৰোধ, দ্ৰোহ, ঈৰ্ষা বা উদ্দেশ্যাৰ্থে চতুৰ্থী বিভক্তি হোৱাৰ দৰে অসমীয়াতো উদ্দেশ্য, লক্ষ্য, নিমিত্তাৰ্থে চতুৰ্থী বিভক্তি হয়। ইয়ঁতক সম্প্ৰদান কাৰক বুলি ধৰি নলৈ নতুনকৈ 'নিমিত্ত কাৰক' নাম দি কাৰকৰ সংখ্যা বৃদ্ধি কৰিব পাৰি। যাৰ উদ্দেশ্য কোনো ক্ৰিয়া সম্পন্ন হয় অৰ্থাৎ যাৰ উদ্দেশ্যে, লক্ষ্য, নিমিত্ত আদি ক্ৰিয়াৰ যোগত প্ৰকাশ পায়, তাকেই নিমিত্ত কাৰক বোলে। যথা,

বুদ্ধলৈ প্ৰণাম। বন্ধুলৈ চিঠি লিখিছে। আমেৰিকাই চন্দ্ৰলৈ মানুহ পঠাইছে। পিতাকে বীণালৈ আম আনিছে। ৰুক্মিণীক শ্ৰীকৃষ্ণলৈ বিয়া দিছিল। অৰ্জুনে ভগদত্তলৈ কাঁড় মাৰিছিল।

এইবোৰক প্ৰকৃততে উদ্দেশ্যাৰ্থে বা নিমিত্তাৰ্থে সম্প্ৰদান কাৰকহে বুলিব পাৰি।

## অপাদান কাৰক

১৭ ঃ ২৩ যাৰপৰা পৃথক হোৱা, উৎপন্ন হোৱা, আৰম্ভ হোৱা, নিবৃত্ত হোৱা, ভয় পোৱা, ৰক্ষা পোৱা, অন্তৰ্ধান হোৱা ব্যাপ্ত বা স্খলন হোৱা বুজায় তাকে অপাদান কাৰক বোলে। অপাদান কাৰকত ষষ্ঠী বিভক্তিৰ চিন ব্যৱহাৰ কৰাৰ উপৰিও 'পৰা' অনুসৰ্গ যোগ কৰা হয়। যথা,

পৃথক— তিলৰপৰা তেল ওলায়। গাৰপৰা কোটটো সোলোকাই থ।

জন্ম— বিদ্যাৰপৰা জ্ঞান হয়। গুটিৰপৰা গজালি ওলায়।

আৰম্ভ— পহিলা মাৰ্চৰপৰা পৰীক্ষা হ'ব। গুৱাহাটীৰপৰা বিদেশলৈ গ'লা।

নিবৃত্ত— পাপৰপৰা আঁতৰি থাকিবা।

ভয়— বনত বাঘৰপৰা যথেষ্ট ভয়।

ৰক্ষা— বেমাৰৰপৰা ৰক্ষা পাবলৈ সাৱধান হ'বা।

অন্তৰ্ধান— সভাৰপৰা গুচি গ'ল।

ব্যাপ্তি— গুৱাহাটীৰপৰা বশিষ্ঠাশ্ৰমলৈ সাত মাইল। সোমবাৰৰপৰা আজিলৈ সি অহা নাই।

স্খলন— গছৰপৰা ফল সৰিল।

শুনা— নাৰদৰপৰা কৃষ্ণ কথা শুনিলে।

গ্ৰহণ— কেতিয়াবা ছাত্ৰৰপৰাও শিকিব পাৰি।

## অধিকৰণ কাৰক

১৭ ঃ ২৪ যি ক্ৰিয়াৰ আধাৰ অৰ্থাৎ কৰ্তা আৰু কৰ্মই যিহৰ ওচৰত ক্ৰিয়া সম্পাদন কৰে তাকেই অধিকৰণ কাৰক বোলে। অধিকৰণত সপ্তমী বিভক্তি যোগ হয়। যথা,

পানীত মাছ থাকে।

হাবিত বাঘ থাকে।

তিলত তেল আছে।

উক্ত বাক্যকেইটিৰ 'পানীত', 'হাবিত', 'তিলত', পদকেইটিৰ ওপৰত যথাক্রমে মাছ, বাঘ, তেল পদকেইটিয়ে থাকে আৰু আছে ক্রিয়া সম্পাদন কৰিছে। গতিকে 'থাকে', 'আছে', ক্রিয়াৰ আধাৰ পানীত, হাবিত, তিলত অধিকৰণ কাৰক।

১৭ ঃ ২৫ অধিকৰণ কাৰক প্ৰধানকৈ দুবিধ— (ক) কালাধিকৰণ আৰু (খ) আধাৰাধিকৰণ।

(ক) কালাধিকৰণ ঃ যি সময়ত ক্রিয়া সম্পন্ন হয় তাকেই কালাধিকৰণ কোৱা হয়। যথা—

সন্ধ্যা সময়ত ঘূৰি ফুৰা অনুচিত। উষাকালতে উঠিব লাগে।

(খ) আধাৰাধিকৰণ ঃ যি ক্রিয়াৰ আধাৰ অৰ্থাৎ য'ত ক্রিয়া সম্পন্ন হয় তাকেই আধাৰাধিকৰণ কোৱা হয়। ইয়াক তিনি ভাগত ভগাব পাৰি।

(১) একদেশ— পানীত মাছ আছে (গোটেইখিনি পানী আগুৰি মাছ নাথাকে, কোনো অংশবিশেষতহে থাকে।)

তেনেকৈ হাবিত বাঘ থাকে। নদীত গা ধোৱে।

(২) ব্যাপ্তি— সৰিয়হত তেল আছে। সৰিয়হৰ গোটেই অংশ ব্যাপ্তি তেল থাকে বাবে ব্যাপ্তি অধিকৰণ।

তেনেকৈ সাগৰৰ পানীত লোণ আছে।

(৩) বিষয়— কোনো বিষয়ৰ ওপৰত ক্রিয়া সম্পন্ন হ'লে বিষয় আধাৰ। যথা- গীতাৰ গানত বৰ ৰাপ। ইয়াত 'গানত' অৰ্থাৎ গান বিষয়ত বিষয়াধাৰ হৈছে।

১৭ ঃ ২৬ বিভিন্ন অৰ্থত অধিকৰণ কাৰক হ'ব পাৰে। যথা—

(ক) পৃথকত্ববোধক ঃ হৰি-হৰত প্ৰভেদ নাই, শংকৰ-মাধৱত একো ভেদাভেদ নাই।

(খ) সংগবোধক ঃ পাকিস্তানৰ লগত ভাৰতৰ তিনিবাৰ যুদ্ধ হৈছিল। তাৰ লগত আমি ফুৰিবলৈ নাযাওঁ।

(গ) অৱস্থাবোধক— ভালত ভাল নাই। বিপদত সহায় নাই। সম্পদত খাওঁতা বহুত।

(ঘ) কাৰ্য— বিস্তৃতিবোধক ঃ কলেজ শাসনত আমাৰ মত নাই।

ৰৰঙণি দিয়াত আমাৰ অধিকাৰ আছে। কৰ তোলাত তেখেতৰ হাত আছে।

(ঙ) মূল্যজ্ঞাপক ঃ আম টকাত কেইটা? আপেল টকাত দুটাকৈ দিয়ে।

১৭ ঃ ২৭ কেতিয়াবা কালবোধক অধিকৰণত ৭মী বিভক্তিৰ চিন লোপ পায়। যথা—

যোৱা বছৰ বৰষুণ বৰ কম।

এইবাৰ যথেষ্ট বৰষুণ হ'ব।

তাৰ পাছৰ বছৰ (বছৰত) ক'ত আছিলা?

ৰাতিপুৱা সূৰ্য উদয় হয়।

গধূলি (গধূলি সময়ত) আমাৰ ঘৰলৈ আহিবা দেই।

## সম্বন্ধ পদ

১৭ : ২৮ দুটা নাম শব্দৰ মাজত পৰস্পৰ সম্বন্ধ বা অধিকাৰ থকা বুজালে সম্বন্ধ পদ বোলে। সম্বন্ধ পদত ষষ্ঠী বিভক্তি যোগ হয়। ক্ৰিয়াৰ লগত এই পদৰ বিশেষ সম্পৰ্ক নাই বাবে কাৰক বোলা নহয়। বাক্যত ব্যৱহাৰ হোৱা পদ বাবে সম্বন্ধ পদ কোৱা হয়। যথা—

ৰহিমৰ ভনীয়েকে সদায় নিজৰ পাঠ পঢ়ে।

ইয়াত মূল বাক্য ভনীয়েকে পাঠ পঢ়ে। কাৰ ভনীয়েক? উত্তৰত 'ৰহিমৰ' ওলাব। 'ৰহিমৰ' সম্বন্ধ পদ।

কাৰ পাঠ পঢ়ে? উত্তৰত 'নিজৰ পাঠ পঢ়ে' পোৱা যায়। গতিকে 'ৰহিমৰ' পদৰ লগত 'ভনীয়েকৰ' সম্বন্ধ আৰু 'নিজৰ' পদৰ লগত 'পাঠ' পদটোৰ সম্বন্ধ।

'ৰহিমৰ' আৰু 'নিজৰ' পদ দুটাৰ পঢ়ে ক্ৰিয়াৰ লগত কোনো সম্বন্ধ নাই। সেইবাবে কাৰক নহয়।

১৭ : ২৯ সাধাৰণতে বিভিন্ন অৰ্থত সম্বন্ধ পদ ব্যৱহাৰ হয়। যথা—

(ক) কৰ্তাবোধক সম্বন্ধ— শংকৰদেৱৰ ধৰ্ম। উইৰ হাফলু। ইত্যাদি।

(খ) কৰ্মবোধক সম্বন্ধ— ঈশ্বৰৰ আৰাধনা, ৰোগীৰ চিকিৎসা, ল'ৰা-ছোৱালীৰ শিক্ষা।

(গ) কৰণবোধক সম্বন্ধ— কলৰ কাপোৰ, তাঁতশালৰ কাপোৰ, কলমৰ খোঁচ, শিকলিৰ বান্ধ।

(ঘ) নিমিত্তবোধক সম্বন্ধ— চন্দ্ৰৰ যান, মংগলৰ যান, বিয়াৰ গাখীৰ।

(ঙ) অপাদানবোধক সম্বন্ধ— চোৰৰ ভয়, অসমৰ ৰপ্তানি।

(চ) অধিকৰণবোধক সম্বন্ধ— বনৰ পশু, পানীৰ মাছ।

(ছ) তুলনাৰ্থক সম্বন্ধ— মধুৰৰো সুমধুৰ।

(জ) ব্যাপ্তিবোধক সম্বন্ধ— এসপ্তাহৰ ছুটী, এখন তামোল খোৱাৰ সময়, ৰিং শুনাৰ দূৰত্ব।

(ঝ) ব্যক্তি সম্বন্ধবাচক সম্বন্ধ— মোৰ পিতা, তোমাৰ পিতাৰা।

(ঞ) গুণবোধক সম্বন্ধ— নানা তৰহৰ বস্তু, গোলাপী ৰঙৰ কাগজ।

(ট) অধিকাৰবোধক সম্বন্ধ— ৰামৰ কলম, বীণাহঁতৰ গাড়ী, মোৰ কিতাপ।

(ঠ) উৎপত্তিবোধক সম্বন্ধ— সোণৰ আঙঠি, মাটিৰ চৰু, বাঁহৰ খৰাহী।

(ড) কাৰণবোধক সম্বন্ধ— মদৰ নিচা, প্ৰবাসৰ দুখ।

(ঢ) স্থানবোধক সম্বন্ধ— গড়গাঁৱৰ বতৰা, কামৰূপৰ কামাখ্যা।

(ণ) কালবোধক সম্বন্ধ— বাৰ বছৰৰ ল'ৰা, দুবছৰৰ পাঠ।

(ত) ক্ৰমবোধক সম্বন্ধ— এককৰ ঘৰ, দহকৰ ঘৰ।

(থ) আধাৰ-আধেয় সম্বন্ধ— য'ত বস্তু থাকে সি আধাৰ, যি বস্তু থাকে সি আধেয়। আধাৰৰ লগত আধেয়ৰ সম্বন্ধকেই আধাৰ-আধেয় সম্বন্ধ কোৱা হয়। ইয়েই অধিকৰণৰ ভাবো জগায়। যথা—

DAILY ASSAM

বিলৰ মাছ, আকাশৰ তৰা, চৰুৰ ভাত।

(দ) অংগাংগী সম্বন্ধ— অংগৰ সৈতে অংগীৰ যি সম্বন্ধ। যথা— মূৰৰ চুলি, গাৰ চাল, হাতৰ আঙুলি।

## সম্বোধন পদ

১৭ ঃ ৩০ কাৰোবাক সম্বোধন কৰি মাতিলে সেই নামশব্দত প্ৰথমা বিভক্তি হয়। প্ৰথমা বিভক্তিৰ চিন লোপ পায়। শব্দটোৰ আকৃতিৰ কোনো পৰিৱৰ্তন সংস্কৃত ভাষাৰ দৰে অসমীয়াত নহয়। বাক্যত এনে শব্দ ব্যৱহাৰ কৰা কাৰণে সম্বোধন পদ কোৱা হয়। কিছুমান বিশেষ অব্যয় সহযোগত সম্বোধন পদ ব্যৱহাৰ কৰা হয়। যথা-

হে অঞ্জলি! চিনেমা চাবলৈ যাবানে?

হে প্ৰভু। এই বিপদৰপৰা মুক্ত কৰা প্ৰভু।

হেৰা ধনটো! এইফালে চোৱাচোন।

## প্ৰশ্নাৱলী

১। কাৰক বিভক্তি কাক কয়? উদাহৰণ দি বুজাই লিখা।

২। কাৰক কাক বোলে? ই কেই প্ৰকাৰ? প্ৰত্যেকৰে সূত্ৰ লিখি বুজাই দিয়া।

৩। সম্বন্ধ আৰু সম্বোধন পদ কাৰক নহয় কিয়? বুজাই লিখা।

৪। কৰ্তা কাৰকত কি কি বিভক্তি বিভিন্ন বাচ্যত ব্যৱহাৰ হয়? উদাহৰণ দি বুজাই দিয়া।

৫। কৰণ কাৰক কাক বোলে? কিমান উপায়ে কৰণ কাৰক কৰিব পাৰি? উদাহৰণ দিয়া।

৬। নিমিত্ত কৰণ কি? কৰ্ম কাৰকৰ লগত থকা পাৰ্থক্য আলচ কৰা।

৭। ষষ্ঠী বিভক্তি কোন কোন ক্ষেত্ৰত ব্যৱহাৰ হয় লিখা।

৮। তলৰ বাক্যকেইটিৰ ডাঙৰকৈ লিখা পদবোৰৰ কাৰক নিৰ্ণয় কৰা ঃ

কেঁচাসোণ, কোৱাচোন, জুৰিটি ক'লৈ বৈ গৈছে? মাধৱী আৰু সেউতীয়ে নিজৰ পাঠ নপঢ়ে। দশৰথ ৰজাৰ পুত্ৰ ৰামে চৈধ্য বছৰ বনবাসত আছিল। কেৰ্কেটুৱাই তামোল খায়, নেউলক বান্ধি কোবায়। কালৰো কাল বিপৰীত কাল, হৰিণাই চেলেকে বাঘৰ গাল। তোমাক ভাল পাওঁ বাবেই ইয়ালৈ আহিছোঁ।